# ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ সামৰণি

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২০ ফেব্ৰুৱাৰী** : গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ ২০২৪-২৫ বাৰ্ষিক সপ্তাহৰ আজি সামৰণি পৰে। বাৰ্ষিক সপ্তাহ উপলক্ষে অসমীয়া জাতীয় জীৱনৰ প্ৰতিনিধিত্বসূচক বিশাল সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হয়। আজি মহাবিদ্যালয়খনৰ মুকলি মঞ্চত অনুষ্ঠিত মুকলি সভাত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্তমণি হালৈয়ে উদ্দেশ্য ব্যাখ্যা কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰাণজিৎ কুমাৰ নাথে সভাত সভাপতিত্ব কৰি ভাষণ প্ৰসংগত কয় যে



ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ উপযুক্ত মঞ্চ মহাবিদ্যালয়ৰ প্ৰতিযোগিতাসমূহ। মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট চলচ্চিত্ৰ অভিনেতা তথা নাট্যশিল্পী প্ৰাঞ্জল শইকীয়া। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° দীপক পাঠকে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। ড° দীপক পাঠকে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ পূৰ্ণ বিকাশৰ বাবে সৃষ্টিশীল কামত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক ভৃগুজ্যোতি বৈশ্যই আঁত ধৰা মুকলি সভাত বিভিন্ন প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ আৰু অভিনন্দন জ্ঞাপন কৰা হয়। সামৰণীৰ অনুষ্ঠানৰ পৰিচালনা কৰে মহাবিদ্যালয়খনৰ বিত্ত বিভাগৰ অধ্যাপক শৈলেন্দ্ৰ নাথ ডেকাই। সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়ক-গায়িকাৰ গীত পৰিৱেশন, বিহুনৃত্য প্ৰদৰ্শন আৰু পৰম্পৰাগত বাৰেৰহণীয়া নৃত্যৰ অনুষ্ঠানৰ অন্তত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে গীত পৰিৱেশন কৰে। ছাত্ৰ একতা সভাৰ বিষয়ববীয়া প্ৰিয়া বড়োৱে শলাগৰ শৰাই আগবঢ়ায়।

ASOMIYA PRATIDIN
DATE: 21/02/2025
Pg. No: 06